পৰিশিষ্ট

শ্ব'ৰেঙ্গাৰ

আমাৰ ভাষাৰ অভিধানখন প্ৰতি দহ বছৰৰ মূৰে মূৰে সংশোধন কৰাৰ নীতি প্ৰয়োগ হোৱাৰ দ্বিতীয় দশকত এই কাৰ্যৰ মুখ্য সম্পাদকৰ ভাৰ পৰিছিল বহু ভাষাবিদ আৰু পণ্ডিত ৰবিশেখৰৰ ওপৰত। ইয়াৰ আগৰ দশকটোতেই ভাষাক সমৃদ্ধ কৰিবলৈ নতুন পদ গ্ৰহণৰ ক্ষেত্ৰত 'পণ্ডিত-সভা'ৰ সৰ্বসন্মতি ক্ৰমে এক উদাৰ নীতি গ্ৰহণ কৰা হৈছিল, ইংৰাজী ভাষাৰ অনুকৰণত। তেতিয়া ড° ৰবিশেখৰেই যুক্তি দাঙি ধৰিছিল যে ইংৰাজী ভাষাত দুই হাজাৰতকৈও অধিক ভাৰতীয় মূলৰ পদ সোমাইছে আৰু শিক্ষিত মানুহে সেইবোৰৰ মূল যে ভাৰতীয় ভাষা সেইটোকেই নাজানে। আমি যিকেইজন কনিষ্ঠ গৱেষক পণ্ডিত ৰবিশেখৰক সহায় কৰিবলৈ নিয়োজিত হ'লো, সেই আটাইকেইজনেই ভাষাৰ গতিশীলতাত বিশ্বাসী তৰুণ আৰু চল্‌তি কথাত ইতিমধ্যে সোমাই পৰা শব্দবোৰ নিজৰ ভাষাৰ ভিতৰুৱা কৰাত আগ্ৰহী। অৱশ্যে 'পণ্ডিত-সভা'ৰ বাহিৰতো এক পণ্ডিত-মণ্ডলী আছে আৰু তাৰ সকলোৱেই উদাৰপন্থী নহয়। কেইজনমান হোমৰা-চোমৰা (শব্দটো আগতেই আমাৰ অভিধানত সোমাব পৰা হৈছে) ৰক্ষণশীল পণ্ডিতে ৰাজনৈতিক প্ৰভাৱ বিস্তাৰ কৰি চৰকাৰৰ পৰা সংশোধন-সমিতিলৈ এটা নিৰ্দেশ পঠিওৱাৰ ব্যৱস্থা কৰি পেলাইছে। পণ্ডিত ৰবিশেখৰ উদাৰ-পন্থী ভাষাবিদ হ'লেও চৰকাৰী নিৰ্দেশক একে আষাৰতে উলাই কৰিব নোখোজে। চৰকাৰৰ নিৰ্দেশটো আছিল যে কোনো কাৰণতো যেন ৰাজনৈতিকভাৱে অস্বস্তিকৰ হ'ব পৰা শব্দ অভিধানত মান্যতা দিয়া নহয়। হয়তো চৰকাৰে সংকোচ বোধ কৰাৰ উপযুক্ত কাৰণ আছে। 'ভোট-বেঙ্ক' শব্দটো আমাৰ অভিধানত আগৰ সমিতিখনে সুমুৱাওঁতে বহু প্ৰতিবন্ধকতাৰ সন্মুখীন হৈছিল আৰু আঞ্চলিক দলৰ চৰকাৰ এটা ক্ষমতাত নথকা হ'লে অনুমোদিত অভিধান এখনত এই শব্দটোৱে স্থান নাপালেহেতেঁন। এতিয়াও সৰ্বভাৰতীয় দৃষ্টিকোণ থকা দল এটাই এই শব্দটো আমাৰ দেশৰ চেকিউলাৰ (ধৰ্মনিৰপেক্ষ শব্দটোৰ সলনি এই শব্দটো ইতিমধ্যে লোৱা হৈছে) চিন্তাৰ পৰিপন্থী বুলি আপত্তি কৰিছে। পণ্ডিত ৰবিশেখৰে অৱশ্যে ঐতিহাসিক যুক্তিৰে এই শব্দটোক ৰাখিবলৈ দৃঢ় পদক্ষেপ লৈছে আৰু শব্দটো এক গণতান্ত্ৰিক শব্দ বুলি প্ৰমাণ দেখুৱাবলৈ সক্ষম হৈছে। কেৱল তেওঁ নিৰ্বাচনত পৰাজিত দলবোৰে ভোট-বেঙ্ককেই পৰাজয়ৰ অজুহাত হিচাপে দেখুওৱা কথাটোত অস্বস্তি পায় বুলি আমাৰ আগত প্ৰকাশ কৰিছে।

কিন্তু আমাৰ গৱেষক দলটোৰ খট্‌কা (এই শব্দটোও এতিয়া আমাৰ অভিধান-সন্মত) লাগিছে, এটা অতি প্ৰচলিত কিন্তু এতিয়ালৈ অভিধানত স্বীকৃতিৰ দ্বাৰা মান্যতা নোপোৱা এটা শব্দ লৈ। এই শব্দটোৱেই হ'ল 'শ্ব'ৰেঙ্গাৰ'। মুখ্য সম্পাদকে এই শব্দটো উদাৰভাৱে গ্ৰহণ কৰিব পৰা নাই। তেওঁৰ মতে শব্দটোৰ গাৰ পৰা আচহুৱা গোন্ধ যোৱা নাই। আমাৰ কনিষ্ঠ গৱেষকসকলৰ এজন কৃষ্ণই অৱশ্যে এটা যুক্তি দিছে, গাহৰিৰ গাৰ পৰাও তাৰ উৎকট গোন্ধ নাযায়। কিন্তু গাহৰিৰ লগত থাকি অভ্যস্ত হ'লে সেই গোন্ধ আৰু পোৱ নাযায়। শব্দৰ অৱস্থাও তেনেকুৱা। এসময়ত আচহুৱা, অদ্ভুত যেন লগা শব্দ পিছলৈ তেনেই গ্ৰহণীয় হৈ পৰে। পণ্ডিত ৰবিশঙ্কৰে ইয়াৰ বিপৰীতে এটা যুক্তি দাঙি ধৰি কয় যে বিদেশী এটা শব্দ চল্‌তি (এইটোও নতুনকৈ বৈধ হোৱা শব্দ) মাতত চোৰাং পথেৰে সোমাব পাৰে আৰু মুখ বাগৰি বাগৰি তাৰ ব্যৱহাৰ ব্যাপ্ত হৈ পৰিব পাৰে, কিন্তু চোৰাং পথৰ শুংসূত্ৰ মছ নোখোৱালৈকে তাক সাবেকী পৰিচয়-পত্ৰ দিব নোৱাৰি। এই ক্ষেত্ৰত তেওঁ অবৈধভাৱে অহা বিদেশী নাগৰিকে কেনেকৈ সাবেকী ঠিকনা লোৱাৰ পিছতহে বিদেশী গোন্ধ গাৰ পৰা নোহোৱা কৰিব পাৰে তাক দৃষ্টান্ত এটিও আমাক দিলে। আমি তৰুণ গৱেষককেইজনে তেওঁৰ কথাৰ যুক্তি-যুক্ততা নেদেখিলেও কনিষ্ঠ হোৱাৰ কাৰণেই বেছি মাত মাতিব নোৱাৰোঁ। কিন্তু আমি সন্দেহ কৰোঁ যে পণ্ডিত ৰবিশঙ্কৰ ভাষাৰ ক্ষেত্ৰত উদাৰপন্থী হ'লেও চৰকাৰৰ ৰাজনৈতিক নিৰ্দেশনাক মুকলিভাৱে উলাই কৰিব পৰা মানুহ নহয়। পণ্ডিত ৰবিশঙ্কৰৰ ৰাজনৈতিক ভীৰুতা (মোৰ মতে) অথবা ৰাজনৈতিক উদাসীনতা (কৃষ্ণৰ মতে) নাইবা ৰক্ষণশীলতাৰ ওচৰত পৰাজয় স্বীকাৰ (আন এজন কনিষ্ঠ

গৱেষকৰ মতে) আমাৰ প্ৰচেষ্টাৰ প্ৰবল প্ৰতিবন্ধক হ'ল আৰু শব্দটো অভিধানত নোসোমাল। আমাৰ লগৰ আন এজন কনিষ্ঠ গৱেষকে মুখ্য সম্পাদকৰ গণতান্ত্ৰিকতাত সন্দেহ প্ৰকাশ কৰিলে, কাৰণ আমাক গৰিষ্ঠ সংখ্যক ভোটৰ বিৰুদ্ধে ই আছিল এক অগণতান্ত্ৰিক আৰু একপ্ৰকাৰ একনায়কত্ববাদী সিদ্ধান্ত।

কিন্তু আমি শব্দটোৰ আঁতি-গুৰি লোৱাৰ সিদ্ধান্ত ল'লোঁ। আমাৰ সমাজৰ বাজাৰী (নতুন শব্দ, অৰ্থত বজাৰত ব্যাপক প্ৰচলিত) মাত-কথাত এই শব্দটোৰ বহুল প্ৰচাৰ আমি ইতিমধ্যেই লক্ষ্য কৰিছোঁ। কৃষ্ণই ইয়াৰ পৰাই শব্দটো তুলি আনি অভিধানত শ্লেং হিচাপে অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱ দিছিল। মই কৈছিলোঁ যে শব্দটো এতিয়া শ্লেঙৰ পৰা উত্তীৰ্ণ হৈছে আৰু সাধুভাষাত ব্যৱহৃত হ'বলৈ লৈছে। সংবাদ মাধ্যমৰ পৰা কেইবাটাও উদাহৰণ মই দেখুৱাইছিলোঁ। বাজাৰী মাত-কথাতকৈ অৱশ্যে সংবাদ মাধ্যমত ব্যৱহাৰ কিছু সলনি হৈছে। 'চালা, ই শ্ব'ৰেঙ্গাৰ হৈ গ'ল বে' বুলি ক'লে বুজায় যে সি ভেচভেচীয়া হৈ গ'ল। 'হাৰামজাদাক শ্ব'ৰেঙ্গাৰ কৰি দিলোঁ বাপ্পেকে' বুলি ক'লে বুজায় 'তাক নাকনি কাননি কৰি দিলোঁ'। কিন্তু সংবাদ মাধ্যমত শব্দটো ৰাজনৈতিক অৰ্থত ব্যৱহৃত হ'বলৈ লৈছে। 'তেওঁ ৰাইজৰ শ্ব'ৰেঙ্গাৰত পৰিল' বুলি কায়দা কৰি লিখা কথাষাৰৰ অৰ্থ হ'ল 'তেওঁ ৰাইজৰ ৰোষত পৰিল'। কিন্তু আন এটা অৰ্থতো কিছুমানে শব্দটো ব্যৱহাৰ কৰিছে, যেনে, 'এই শ্ব'ৰেঙ্গাৰ কিমান দিন থাকিব?' বুলি ক'লে বুজায় 'এই টো কিমান দিন থাকিব?' যিসকল সাহিত্য-প্ৰয়াসী সাংবাদিকে এই শব্দটো ব্যৱহাৰ কৰিবলৈ লৈছে, তেওঁলোকক সুধি-পুছি ইয়াৰ মূল বিচাৰি পোৱা নগ'ল। অৱশ্যে সকলোৱে বজাৰৰ ভাষাৰেই ই এক সাধু ৰূপ বুলি ক'লে। আমি শব্দটো প্ৰেমত পৰিছোঁ, নহ'লে আমাৰ শ্ব'ৰেঙ্গাৰ-মেনিয়া হৈছে। জন্তুৰ গাত চিকাৰৰ দৰে শব্দটো আমাৰ মনত লাগি ধৰিছে আৰু তাৰ মূল নোপোৱালৈকে আমাৰ মনৰ পৰা এই মেনিয়া নিষ্কাষিত নহয়। এই কাৰণেই ইয়াৰ প্ৰাচীনতম প্ৰয়োগ আৰু ইয়াৰ ভাষামূল বিচাৰি আমি হাবাথুৰি খাইছোঁ।

'ষ্ট্ৰেইঞ্জ আৰ দ ওৱেইজ অফ্ ওৱৰ্ডছ্', আমাৰ সহ-গৱেষক অচ্যুতানন্দই ক'লে। কথাষাৰ সি আপ্তবাক্য কোৱাদি ক'লে। গধূলি আড্ডা দিয়া ৰেস্তোৰাঁখনতে আমি আটাইকেইজন গোট খাইছিলোঁ। জ্বৰে এৰিলেও কপটিয়ে নেৰাৰ দৰে 'শ্ব'ৰেঙ্গাৰ' শব্দটোৱে আমাক এৰা নাই। বিভিন্ন কামৰ মাজত ব্যস্ত হৈ থকা সময়তো আমি প্ৰত্যেকজনেই শব্দটো আতিঁ-গুৰি বিচাৰি আছোঁ। গধূলি সময়ত আমি ৰেস্তোৰাঁখনত আড্ডা দিলেও আমি পৰ চৰ্চা কৰি মুখ খজুৰাই নাথাকোঁ। বৰ ছিৰিয়াছ (শব্দটো আমাৰ এতিয়া ঘৰুৱা) কথাত ব্যস্ত হৈ থাকোঁ আৰু নিজৰ নিজৰ গৱেষণা ক্ষেত্ৰৰ চমকপ্ৰদ প্ৰজ্ঞাৰ আদান-প্ৰদান কৰোঁ। এই সময়ত 'শ্ব'ৰেঙ্গাৰ' শব্দটোৰ কথা আমাৰ মাজত প্ৰায়েই আলোচনা হয়। অভিধানত ইয়াক ভব্য পোছাক দিবলৈ আমি আৰু এটা দশক ৰ'ব লাগিব আৰু ইতিমধ্যে মুখ বাগৰি বাগৰি হয়তো ই তেতিয়া এতিয়াতকৈও বেলেগ অৰ্থতে মহীয়ান হৈ পৰিব। যিয়েই নহওক, 'শ্ব'ৰেঙ্গাৰ' শব্দটোৱে তাৰ অৰ্থময়তাৰে আমাৰ আটাইকেইজনকে অব্ছেছ কৰি আছে। 'অব্ছেছ' শব্দটো মনলৈ অহাৰ লগে লগে মোৰ 'অব্ছেশ্ব'ন' শব্দটোলৈ মনত পৰি গ'ল। মই অচ্যুতানন্দক সমর্থন কৰি ক'লোঁ, "এৰা, এই অব্ছেছ শব্দটোকেই ধৰা, যিটো আমাৰ অভিধানত এইবাৰ সোমাইছে। তাৰ অৰ্থ হ'ল মনক আচ্ছন্ন কৰা। কিন্তু ভাই, অব্ছেশ্ব'ন শব্দটো অৰ্থ হৈ গ'ল বদ্ধমূল ধাৰণা।" কৃষ্ণই ঈষৎ হাঁহিলে, এই হাঁহিটোৰ অন্য সময়ত বেলেগ অৰ্থ হ'লহেঁতেন। কিন্তু মই বুজি পালোঁ মোৰ কথা পোনপটীয়াকৈ উপলুঙা কৰিব নোৱাৰি সি ভদ্ৰভাৱে তেনেকৈ হাঁহিলে। আপোনমনে মঙহৰ হাড় চোবাই থকা নিত্যৰত্নই যেন সুস্বাদু মাংসৰ মাজত অব্ছেছড্ হৈ আছিল। সি এইবাৰ মূৰ তুলি ক'লে, 'হা, কি ক'লা? অ' হয়, কিছুমান শব্দৰ গুৰি উলিওৱা সহজ। এই ধৰা, নামনি অসমত ব্যৱহৃত ফেস্তা শব্দটো। এইটো যে সংস্কৃত পিষ্ট শব্দৰ পৰা বাগৰি আহিছে মই নিশ্চিত। কিন্তু মেকা শব্দটো, যাৰ অৰ্থ বাহি হৈ গোন্ধ ওলোৱা, সেই শব্দটোৰ মূল সম্বন্ধে মোৰ সন্দেহ এতিয়াও যোৱা নাই।' বহুত দিনৰ পৰা চেষ্টা কৰি ফেষ্টা শব্দটো আমাৰ অভিধানত সুমুৱাই সি গৌৰৱান্বিত আৰু ভাষাটোক চহকী কৰাত তাৰো যে এক অৱদান আছে এনে এটা ধাৰণা তাৰ হৈছে। আনহাতে, বহু প্ৰবন্ধেও সি মেকা শব্দটো সুমুৱাব নোৱাৰিলে, কাৰণ মুখ্য সম্পাদকে ক'লে যে বাহি শব্দটো বেছি সুন্দৰ। আমি যুক্তিটো তৰল পালেও জ্যেষ্ঠজনৰ প্ৰতি সন্মান জনাই কথাটো মানি লৈছিলোঁ। নিত্যৰত্নই পিছত কৈছিল, "হেৰা বেয়া হৈ পুৰণি হৈ দুর্গন্ধ হোৱা বস্তুৰ কাৰণে কিয় এটা সুন্দৰ শব্দ লাগেহে।" কৃষ্ণই আন এটা যুক্তি

দিছিল, 'নহয় হে, মেকা শব্দটো মাইকী শব্দটোৰ ওচৰ চপা। আমাৰ পুৰুষ-প্ৰধান সমাজত কেতিয়াবা মাইকী মানুহৰ গাত মেকা শব্দটো লেটিয়াই দিলে কি হ'ব ভাবি চোৱাচোন।' আমাৰ কথোপকথনৰ মাজত অচ্যুতানন্দই মাত দি ক'লে, "হেৰ, মই কি ক'ব খুজিছোঁ তহঁতে বুজা নাই কিয়? আল্টু-ফাল্টু (এই শব্দটো অচ্যুতানন্দই অভিধানত সুমুৱাব খুজি ব্যর্থ হৈছিল) কথাবোৰ কৈ আছে যে।" আমি ইজনে সিজনক তুমি-তামাকৈ মাতো যদিও অচ্যুতানন্দই সকলোকে তই বুলি মাতে। সি আকৌ ক'লে, "মই বিচাৰ-খোচাৰ কৰোঁতে এই 'শ্ব'ৰেঙ্গাৰ' শব্দটোৰ ব্যৱহাৰ ক'ত পালোঁ সেইটোহে বুজাব খুজিছোঁ। তহঁতে আচৰিত হবি, গালাপাগোচ দ্বীপত এই শব্দটো এক জাতীয় উৎসৱ হিচাপে ঘোষিত হৈছে। অর্থাৎ বছৰৰ এটা দিনত শ্ব'ৰেঙ্গাৰ নামৰ খেলটো ঠাইডোখৰৰ সকলো অধিকাৰী (বেছিভাগেই অভিবাসী)য়ে খেলে। এটা পৰম্পৰা স্থাপিত হৈছে আৰু খেলাটো ইমান জনপ্ৰিয় হৈ পৰিছে যে সমাজৰ দাবীত তাৰ গৱর্ণৰে এই খেলটোক এতিয়া জাতীয় উৎসৱ হিচাপে ঘোষণা কৰিছে। তেওঁ হেনো নিৰ্বাচনত প্ৰতিশ্ৰুতি দিছিল।" আমাৰ মাজত অচ্যুতানন্দই সাধাৰণ জ্ঞানত সকলোতকৈ আগবঢ়া। সি অনা খবৰৰ সত্যাসত্যত আমি প্ৰশ্ন নোতোলোঁ। কিন্তু আমি আচৰিত হ'লোঁ গালাপাগোচ দ্বীপৰ পৰা এই শব্দটো উৰি আহি আমাৰ ইয়াত কেনেকৈ গজগজীয়া হ'ল এই কথাটোতহে। ইকুৱেডৰৰ সাগৰত থকা গালাপাগোচৰ আচহুৱা প্ৰাণী বৃহৎ কাছ (একোটা কেতিয়াবা মানুহৰ সমান ওখ)-ই পৃথিৱীৰ আন ক'তো বংশ স্থাপন কৰাৰ সুযোগ পোৱা নাই। কিন্তু তাৰ পৰা এটা শব্দই আমাৰ ভাষাত জীন বিস্তাৰ কৰাৰ উপক্ৰম কৰিছে কেনেকৈ? ড° ৰবিশেখৰে শব্দটো অর্বাচীন বুলি থাৱৰ কৰিছে। তেওঁৰ প্ৰজ্ঞাৰ প্ৰতি আমি আস্থাবান কাৰণেই শব্দটো তেওঁ অভিধানত নুসুমুৱাৰ সিদ্ধান্ত লওঁতে বৰ প্ৰতিবাদ কৰিব পৰা নাছিলোঁ। যদি গালাপাগোচত এইটো পৰম্পৰাগত ক্ৰীড়া উৎসৱ আৰু এতিয়া জাতীয় উৎসৱৰ মর্যাদা পাইছে, তেন্তে শব্দটো অর্বাচীন নহয় নেকি এনে চিন্তাও মোৰ হ'ল। মই অচ্যুতানন্দক সুধিয়েই পেলালো, 'খেলটো কিমান পুৰণি অ'? সি ক'লে, "ৰ' পূৰা খবৰ এতিয়াও পোৱা নাই, ৰয়টাৰৰ সৰু সংবাদ এটাতহে খবৰটো পাইছোঁ। মই এতিয়া ভালকৈ অনুসন্ধান কৰিম।" সেইদিনা আমাৰ আলোচনা ইয়াতেই শেষ হৈছিল। নিত্যৱত্নই যোৱাৰ আগতে এটি পার্টিং শ্ব'ট দি গ'ল, "হেৰা কি অর্বাচীন, প্ৰাচীন আছেহে। 'সুবাদ' শব্দটো পিলিঙা সাংবাদিকবোৰে ধাম-ধুম (ধুম ধাম বা ধুমাধুম নহয়, এইটো নতুনকৈ আমাৰ অভিধানত গ্ৰহণ কৰা শব্দ) ব্যৱহাৰ কৰিবলৈ লওঁতে দেখোন আমাৰ বিদ্বৎ সভাই মান্যতা দিয়েই দিলে (পণ্ডিত সভাক সি বিদ্বৎ সভা বুলি কৈ ভাল পায়)। শ্ব'ৰেঙ্গাৰ শব্দটো এক সুন্দৰ পোছাকী শব্দ। তাক অর্বাচীন বুলি অৱহেলা কৰাটো ভুল হৈছে।" কথাটো সচাঁ। শব্দটো ইমান আকর্ষণীয় হোৱাৰ কাৰণেহে আমি কেইজনে আমাৰ চিন্তন প্ৰক্ৰিয়া আজিও তাত কেন্দ্ৰীভূত কৰি থৈছোঁ।

এটা কথা ক'ব লাগিব। নিত্যৱত্ন গৱেষক হিচাপে বৰ নিষ্ঠাবান নহয় আৰু আমাৰ ভিতৰত সিয়েই ভাষাৰ ব্যুৎপত্তি সম্বন্ধে কম অধ্যয়ন কৰিছে। পিছৰ বাৰ লগ হওঁতেই ইয়াৰ প্ৰমাণ ওলাল। সি এটা প্ৰস্তাৱে দিলে যে 'শ্ব'ৰেঙ্গাৰ' শব্দটো সংস্কৃত-মূলক 'শৃঙ্গাৰ' শব্দৰ পৰা ওলোৱা। চল্‌তি মাত-কথাত বিকাৰগ্ৰস্ত হৈ ই বিদেশী যেন লগা শ্ব'ৰেঙ্গাৰ শব্দ হৈছে। কিন্তু কাম কলাৰ উপাদান থকা শৃঙ্গাৰ শব্দটো প্ৰায় বিপৰীতধর্মী এবিধ অর্থাভাসলৈ কেনেকৈ গ'ল, এই প্ৰশ্ন কৰোঁতে নিত্যৱত্নই যুক্তি দিলে যে কথাটো পেংগুইন শব্দটোৰ দৰে। পেংগুইন শব্দৰ অর্থ 'বগা মূৰ', কিন্তু সি গৈ ক'লা মূৰৰ আৰু বগা বুকুৰ এবিধ চৰাইৰ নাম হ'লগৈ। আমি পতিয়ন নগ'লোঁ। কাৰণ ইতিমধ্যে গালাপাগোচৰ জাতীয় উৎসৱৰ বিষয়ে কিছু নতুন খৱৰ অচ্যুতানন্দই আনিবলৈ সক্ষম হৈছে। আৰু আমি সিদ্ধান্ত ল'লো যে শ্ব'ৰেঙ্গাৰ শব্দটো ইংৰাজী দুটা বিশেষ শব্দৰ মিশ্ৰণৰ ফলত গঠিত হৈছে। এই শব্দ দুটা 'শ্বু' আৰু 'এঙ্গাৰ'। আমাৰ ভাষাৰ চল্‌তি মাত-কথাত এঙ্গাৰ শব্দটোৰ প্ৰভাৱ বেছি পৰিছে আৰু তাৰ ব্যৱহাৰ সেয়েই নেতিবাচক হৈছে। কিন্তু তথাপিও আমাৰ মনৰ খট্‌কা দূৰ নহ'ল। কাৰণ গালাপাগোচত যদিও এই উৎসৱ জোতা দলিওৱা-দলিৰ উৎসৱ ই এক আনন্দৰ পৰ্ব। আৰু তাৰ আনন্দৰ ক্ৰীড়া এটাই আমাৰ ভাষালৈ আহি কেনেকৈ প্ৰায় ওলোটা অর্থ এটাত লাগি ধৰিলে তাৰ ঐতিহাসিক তথ্য আমাৰ হাতত নাই। আৰু আহিলেই বা কেনেকৈ? তদুপৰি, এই জোতা দলিওৱা-দলি আনন্দৰ উছৱেই বা হ'ল কেনেকৈ? স্পেনিছ ভাষা-প্ৰধান ঠাই এডোখৰত স্পেনিছ শব্দৰ সলনি ইংৰাজী শব্দ এটা জাতীয় উৎসৱৰ সন্মানীয় নামেই বা কিয় হ'ল? অবশ্যে সাগৰীয়

অঞ্চল বা দ্বীপ আদিত জাহাজত অহা-যোৱা কৰা নাবিকসকল বা নৌকর্মীসকল বহুজাতীয় হোৱাৰ সুবাদত (এতিয়া এই শব্দটো অভিধান-সন্মত) বহু বিজতৰীয়া শব্দ একোটা ভাষাৰ ভিতৰত সোমাই পমুৱাৰ পৰা ভূমিপুত্ৰ হোৱা বুলি জানোঁ। নাবিকসকলেই শব্দটো তেনেকৈ গালাপাগোচলৈ নিলে নেকি তেনে এটা ধাৰণাও আমাৰ মনত হ'ল। যিয়েই নহওক, আমি গম পালোঁ যে গালাপাগোচত ল'ৰা, ছোৱালী, বুঢ়া, বুঢ়ী, ডেকা, গাভৰু সকলোৱেই বছৰৰ এটি দিনত জোতা দলিওৱা-দলি কৰা খেল এটাত মত্ত হৈ পৰে, ঠিক যিদৰে আমাৰ দেশত ৰঙীন ফাঁকুগুৰি ছটিওৱা-ছটি কৰি মানুহে দৌল বা হোলি বা ফাগুৱা উৎসৱ পালন কৰে। ইউৰোপৰ কোনোবা এখন দেশত হেনো বিলাহী বোকাৰ দৰে খচি তাত জঁপিয়াই মেলি আনন্দ কৰে। গালাপাগোচৰ এই উৎসৱ উৎস কিন্তু অচ্যুতানন্দই তৎক্ষণাতে বিচাৰি নাপালে।

"ষ্টেইজ আৰ দ ওৱেইজ অব্ ওৰর্ড্ছ্" —কথাষাৰ অচ্যুতানন্দই কৈছিল, কিন্তু মোৰ মনত কথাষাৰে তোলপাৰ লগাই থাকিল। আৰু আমি আটাইকেইটাই যেতিয়া বিভিন্ন সূত্ৰৰ পৰা এই 'শ্ব'ৰেঙ্গাৰ' শব্দৰ উৎস আৱিষ্কাৰ কৰিলোঁ, মোৰ মুখেৰেই এই কথাষাৰ আকৌ প্ৰকাশ পালে। আমি আটাইকেইটাই যেতিয়া বিভিন্ন সুত্ৰৰ পৰা এই 'শ্ব'ৰেঙ্গাৰ' শব্দৰ উৎস আৱিষ্কাৰ কৰিলোঁ, মোৰ মুখেৰেই এই কথাষাৰ আকৌ প্ৰকাশ পালে। আমি আটাইকেইটাই বুজি পালোঁ যে শব্দটোৰ উৎস গালাগাপোচ দ্বীপপুঞ্জত নাই, বৰং গালাপাগোচত এই উৎসৱ লোকোৎসৱ নহয়, এক আধুনিক উৎসৱহে। যিটো কাৰণত পৃথিৱীৰ বৃহত্তম জোতাৰ কাৰখানাটো গালাপাগোচত স্থাপিত হৈছিল আৰু যিটো কাৰণত জোতা দলিওৱা-দলি এটা জাতীয় খেলৰ পৰিণতি হৈছিল, সেই দুয়োটা কাৰণৰ উৎস একেটাই। এই কথাটো বৈজ্ঞানিকভাৱে প্ৰমাণিত হৈছিল যে গালাপাগোচত উত্তম চামৰা তৈয়াৰীৰ বাবে অতি উপযুক্ত জলবায়ু আছে আৰু অর্থনৈতিক মন্দাৱস্থাৰ সময়ত বাণিজ্যিক সাফল্যৰ মুখ দেখিবলৈ ৰপ্তানিৰ কাৰণে উত্তম জোতা প্ৰস্তুত কৰাৰ এটা কাৰখানা তাত স্থাপন কৰিবলৈ ইকুৱেডৰ চৰকাৰে পাণ্ডিছিল। তাত বিভিন্ন জন্তুৰ বাসভূমি থকাৰ কাৰণে ভিন ভিন ধৰণৰ চামৰা ব্যৱহাৰৰো সূচল আছিল। কিন্তু পর্যাবৰণ সচেতন গালাপাগোচবাসীয়ে কোনোপধ্যেই তাত চামৰাৰ কাৰখানা স্থাপন কৰিবলৈ দিবলৈ মান্তি হোৱা নাছিল। তেতিয়াই ইকুৱেডৰৰ চতুৰ ৰাজনৈতিক নেতা এজনে জোতা দলিওৱাৰ খেল কৌশলেৰে প্ৰৱর্তন কৰিলে। প্ৰথমতে শিশুসকলৰ মাজত পুতলা-জোতা দলিওৱাৰ খেল জনপ্ৰিয় কৰি তোলা হ'ল আৰু পিছত ই ক্ৰমান্বয়ে ডাঙৰৰ মাজতো জনপ্ৰিয় হ'ল। ইয়াৰ ফলত পৰিৱেশ এনে অনুকূল হ'ল যে গালাপাগোচত বৃহত্তম জোতাৰ কাৰখানাও স্থাপিত হ'ল আৰু জোতা দলিওৱা-দলি এক জাতীয় ক্ৰীড়াতো পৰিণত হ'ল। এই কাৰখানাত বিশ্বৰ বজাৰত প্ৰভূত চাহিদা থকা এবিধ মোলায়েম জোতাহে তৈয়াৰ হয়।

এই খবৰ আৰু ইয়াৰ কাৰণে দিয়া যুক্তি আছিল অচ্যুতানন্দৰ। মই ক'লো, "কিন্তু বিশ্বত এবিধ বিশেষ ধৰণৰ মোলায়েম জোতাৰ জনপ্ৰিয়তা নাবাঢ়িলে এই জোতাৰ কাৰখানাই সাফল্য পালেহেঁতেননে? ইকুৱেডৰৰ স্বার্থ আছিল অর্থনৈতিক। কিন্তু মোৰ গৱেষণাত এটা চমকপ্ৰদ তথ্য পাইছোঁ। এবিধ বিশেষ ধৰণৰ মোলায়েম জোতাৰ চাহিদা এতিয়া বিশ্বত সর্বাধিক। আৰু এইবিধ জোতাই ইকুৱেডৰৰ গালাপাগোচত তৈয়াৰ হয়। এই চাহিদা বৃদ্ধিৰ এক ৰাজনৈতিক কাৰণ আছে।" আটায়ে মোৰ ফালে কৌতূহলেৰে চালে আৰু এই দৃষ্টি-আকর্ষণকাৰী মন্তব্যটো দি মই তৃপ্ত হ'লোঁ। আমাৰ মাজৰ আটাইতকৈ তৰল কথা কোৱা নিত্যৰত্নই ক'লে, "জোতাৰ অৱশ্যে ৰাজনীতি হ'ব পাৰে। ফিলিপাইনছত এসময়ৰ এজন স্বেচ্ছাচাৰী শাসকৰ বিলাসী পত্নীৰ শ শ বিলাসী জোতা শাসকজনৰ পতনৰ পিছত আৱিষ্কাৰ হৈছিল আৰু উত্তেজিত জনতাই মহিলাগৰাকীক অপদস্থ কৰিছিল। ভৰতে আকৌ ৰামচন্দ্ৰৰ পাদুকা সিংহাসনত ৰাখিয়েই দেশ শাসন কৰিছিল।" নিত্যৰত্নৰ কথা আমি বাকীকেইজনৰ অপ্রাসঙ্গিক যেন লাগিল। গতিকে তাৰ মন্তব্যত আমি সঁহাৰি নিদিলোঁ।

আমাৰ লগৰ পঞ্চমজন গৱেষক ধীৰভদ্ৰৰ কথা কোৱাই নাই। তেওঁ সাধাৰণতে নীৰৱ শ্রোতা। কথা খুব কমকৈ কয়। যেতিয়াই কয় তেতিয়া তাক গুৰুত্ব সহকাৰে নলৈ আমাৰ উপায় নাই। ইমান দিনৰ মূৰত আজিহে তেওঁ প্ৰথম মন্তব্যটো এৰিলে;

ক'লে, "মই যোৱা পঞ্চাশ বছৰৰ সংবাদ-পত্ৰৰ আৰ্কাইভত এই শব্দটোৰ ব্যৱহাৰ চাইছিলোঁ। এই শব্দটোৰে মিল থকা এটা শব্দৰ ব্যৱহাৰ মই কিন্তু পঞ্চাশ বছৰৰ আগৰ বাতৰি কাকতৰ প্ৰথম পৃষ্ঠা এটাত পাইছোঁ। এজন বিখ্যাত সাংবাদিকৰ কলমত। ইংৰাজী 'Swing' শব্দটোৰ ঠাইত লিখিছিল 'Shoeing' বুলি এটা শব্দ। জানাই নহয়, নিৰ্বাচনৰ সময়ত স্বয়ম্ভু বিশেষজ্ঞসকলে কেনেকৈ এটা দলৰ পৰা আন এটা দললৈ ভোট বাগৰি অহাৰ কাৰণ নিৰ্ণয় কৰে আৰু ইয়াক 'Swing' কৰা বুলি কয়। এই বিখ্যাত মাৰাঠী সাংবাদিকজনে তেতিয়া লিখিছিল যে এইবাৰ (অৰ্থাৎ সেইবাৰ) ভোট 'Swing' নকৰে 'Shoeing'হে কৰিব।"

ধীৰভদ্ৰৰ কথাত আমাৰ এনেকুৱা লাগিল যে আমি ডিটেকটিভৰ সূত্ৰ এটাহে পালোঁ। আমাৰ ধাৰণা হ'ল যে 'শ্ব'ৱেঙ্গাৰ' শব্দটোৰ ব্যুৎপত্তি আৰু প্ৰকৃত সূত্ৰ আৱিষ্কাৰৰ ক্ষণ এটা সমাগত হৈছে আৰু তাৰ আৱিষ্কাৰৰ গৌৰৱ আমি কেইজনেই অৰ্জন কৰিবলৈ ওলাইছোঁ। সুদূৰ গালাপাগোচ দ্বীপৰ এক জাতীয় ক্ৰীড়া উৎসৱ আৰু আমাৰ দেশৰ নিৰ্বাচনী উৎসৱৰ মাজত যোগসূত্ৰ স্থাপন কৰা এটা শব্দ আমি পাইছোঁ আৰু সেই শব্দটো হৈছে শ্বু' অৰ্থাৎ জোতা। ২০৫৯ চনত আমাৰ অভিধানখন সংশোধন কৰিবলৈ লোৱা হৈছে। দেখা গৈছে তাত স্থান ল'ব নোৱাৰা 'শ্ব'ৱেঙ্গাৰ' শব্দটোৰ অতীত ইতিহাস দীৰ্ঘদিনীয়া নহয়। অৰ্ধ শতিকাৰ আগতে আমাৰ নিজৰ ভাষা নহ'লেও আমাৰ দেশৰ আন এটা ভাষাৰ সংবাদ-মাধ্যমত ইয়াৰ প্ৰথম ব্যৱহাৰ পোৱা হৈছে।

আমাৰ সংশোধিত অভিধানৰ উন্মোচনী সভাত আমি উপস্থিত আছিলোঁ। পণ্ডিত ৰবিশেখৰৰ সহায়কাৰী হিচাপে আমাৰ নাম অভিধানত উল্লেখিত হোৱা নাছিল, কিন্তু গণ্যমান্য লোকৰ উপস্থিতিত হোৱা উন্মোচনী সভাত আমাক সসন্মানে উপস্থিত থাকিবলৈ দিয়া হৈছিল। আমি ড° ৰবিশেখৰৰ পাণ্ডিত্যক আগৰে পৰাই সন্মান কৰি আহিছোঁ। এতিয়া তেওঁৰ ৰাজনৈতিক বিচক্ষণতাক আমি তাৰিফ (শব্দটো এইবাৰৰ অভিধানত সোমাইছে) নকৰাকৈ থাকিব নোৱাৰিলোঁ। আমি 'শ্ব'ৱেঙ্গাৰ' শব্দটোৰ আদিম জন্মবৃত্তান্তৰ আধুনিক পুৰাকথা ৰচনা কৰিবলৈ এতিয়াও সক্ষম হোৱা নাই। কিন্তু বুজি পাইছোঁ, যিদিনাই ই ৰচিত হ'ব, সেইদিনাই প্ৰকাশ হৈ যাব যে শব্দটো ৰাজনৈতিকভাৱে অস্বস্তিকৰ। নিজৰ প্ৰজ্ঞা-নিঃসৃত সতৰ্কতাৰে পণ্ডিত ৰবিশেখৰে এই কথাৰ পূৰ্বানুমান কৰিছে আৰু শব্দটোৰ সংস্ৰৱ সযতনে পৰিত্যাগ কৰিছে। বক্তৃতাত তেওঁ কৈয়েই দিছে যে ভাষাৰ শ্ৰীবৃদ্ধিৰ খাতিৰত আৰু প্ৰতিৱেশী ভাষাৰ লগত ফেৰ মাৰিবলৈ তেওঁ সকলো ধৰণৰ শ্লেং অভিধানত অৰ্ন্তভুক্ত কৰিছে। কিন্তু যিবোৰ শব্দ ৰাজনীতিৰ গোন্ধ লৈ অচ্ছ্যুত হৈ আছে, তেনে শব্দক সাংস্কৃতিক কৌলিন্য দিয়াৰ পৰা তেওঁ বিৰত ৰৈছে। এইখিনি কথা কওঁতে তেওঁ বাৰে বাৰে আমাৰ ফালে চোৱা দেখি আমাৰ বুজাত অসুবিধা হোৱা নাছিল যে তেওঁৰ মন্তব্যৰ আঁৰত শ্ব'ৱেঙ্গাৰ শব্দটোৰ প্ৰতি কটাক্ষ আছে।

ধীৰভদ্ৰই ইতিমধ্যে সংবাদ-পত্ৰৰ আৰ্কাইভৰ পৰা আন এটি তথ্য যোগাৰ কৰিছে। ধীৰভদ্ৰই বিচাৰি পাইছে যে সেই অভিজ্ঞ মাৰাঠী সাংবাদিকজনে নিজৰ ভাষাত 'ছুইং' ক্ৰিয়াটোকে ব্যৱহাৰ কৰি ক্ষান্ত থকা নাই। ইয়াৰ পৰা হোৱা বিশেষ্য 'ছুইঙ্গাৰ' শব্দটো ইংৰাজী অৰ্থতকৈ সম্পূৰ্ণ বেলেগ অৰ্থত ব্যৱহাৰ কৰিছিল আৰু তাক 'ভোট' শব্দটোৰ লগত জুৰি দিছিল। তেওঁ ব্যৱহাৰ কৰা বাক্যত ভোট-ছুইঙ্গাৰৰ অৰ্থ হ'ল যি ঘটনা বা ইচ্ছ্যুয়ে বা পৰিস্থিতিয়ে ভোট এটা পক্ষৰ পৰা আন এটা পক্ষলৈ বাগৰাই নিয়ে। তেওঁ লিখিছিল, "এইবাৰৰ নিৰ্বাচনত ভোট ছুইং কৰিব পৰা কোনো বিশেষ অৰ্থনৈতিক-ৰাজনৈতিক সমস্যা কোনো দলেই ব্যৱহাৰ কৰিব নোৱাৰি ব্যক্তিগত বোকা ছটিওৱা কাৰ্যত লিপ্ত হৈছে। প্ৰত্যেকটো দলেই সন্ত্ৰাসবাদক ৰাম নাম হিচাপে উচ্চাৰণ কৰিছে। কিন্তু ই কোনো দলৰ পক্ষে ভোট-ছুইঙ্গাৰ হ'ব পৰা নাই। ধাৰণা হয় যে এইবাৰ ভোট ছুইং হোৱাতকৈ 'শ্বৱেইং'হে হ'ব।"

তেওঁ পৰিবেশন কৰা বাতৰিটোৰ প্ৰতিলিপি ধীৰভদ্ৰৰ ধৈৰ্যৰ কল্যাণত আমাৰ সন্মুখত উপস্থিত হ'ল। আৰু উৰহীৰ ওৰ আমি তাতেই পালোঁ। দেখিলোঁ তাত দুটা ঘটনাৰ কথা উল্লেখ আছে। এটাত অতি ওখ নেতা এজনলৈ সমৰ্থকে জোতা দলিওৱাৰ খবৰ আৰু আনটোত তেওঁতকৈ কম ওখ প্ৰতিপক্ষৰ আন এজন নেতালৈ ক্ষুদ্ধ সাংবাদিক এজনে একেই ধৰণে জোতা দলিওৱাৰ সংবাদ। সংবাদ দুটি পাই অচ্যুতানন্দক উত্তেজিত হৈ উঠা দেখা গ'ল। অন্য উত্তেজনা নহয়, এক আৱিষ্কাৰৰ উত্তেজনাহে। সি ক'লে, "এৰা, এৰা, এৰা।আমাৰ জন্মৰ দুই দশকৰ আগৰ এই ঘটনা। পিতাদেউৰ মখত শুনিছিলোঁ এনে ঘটনাৰ কথা। এতিয়া বুজিছোঁ ইয়াৰ

তাৎপর্য। পৰবর্তী নির্বাচনত এই অৱমাননাকৰ জোতা দলিওৱা কৌশল হৈ পৰিছিল নির্বাচনী ৰণকৌশল। নাম-গোন্ধ নোহোৱা কোনো মানুহে ক্ষোভত বা দৃষ্টি আকর্ষণ কৰিবলৈ সেইবাৰ আৰু জোতা দলিওৱা নাছিল। জোতাক তেতিয়া মর্যাদা-হানিকৰ উপাদানৰ পৰা মর্যাদা সৃষ্টিকাৰী উপাদান কৰি পেলোৱা হৈছিল। যেতিয়াই কোনো নেতালৈ ফুলৰ সলনি জোতা দলিওৱা হৈছিল তেতিয়াই এই কাণ্ডক প্রতিপক্ষৰ ষড়যন্ত্র বুলি জোৰ প্রচাৰ চলোৱা হৈছিল আৰু এক সহানুভূতিৰ ঢৌ বা ছিমপেথী উৱেইভ্ সৃষ্টি কৰা হৈছিল। কিন্তু জোতা দলিয়াবলৈ আচলতে এজেন্ট নিয়োগ কৰা হৈছিল।" এই বুলি কৈ এটা নির্বাচনৰ এখন ৰাজ্যৰ সমীক্ষা দাঙি ধৰি সি দেখুৱালে যে সেইবাৰ সেই ৰাজ্যত যি দলটো ক্ষমতালৈ আহিছিল, সেই দলটোৱে এই শ্বু'ৱেইং পদ্ধতিৰে সহানুভূতিৰ ঢৌ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল।

অচ্যুতানন্দৰ বিশ্লেষণ আচলতে আছিল আধৰুৱা। আমি তথ্য খান্দি ইয়াতকৈও চমকপ্রদ সেই আদিম কার্যক আৱিষ্কাৰ কৰিছিলোঁ, যি প্রকৃততে 'শ্ব'ৱেঙ্গাৰ' শব্দ সৃষ্টি হোৱাৰ প্রথম ট্রিগাৰ আছিল। সহৃদয় পাঠক, আপোনালোকৰ ভিতৰত বুঢ়া-মেথাসকলে সেই কার্য বা ঘটনাৰ প্রত্যক্ষদর্শী আছিল, অৱশ্যে দূৰসঞ্চাৰী সংবাদমাধ্যমৰ মাৰফতত। আপোনালোকৰ স্মৃতিক প্রজ্বলিত কৰি আমি মনত পেলাই দিব খুজিছোঁ মধ্যপ্রাচ্যৰ এখন চহৰত হোৱা সেই অভূতপূর্ব ঘটনাটোলৈ। আপোনালোকৰ স্মৃতি খুঁচৰিলে নিশ্চয় মনত পৰিব যে আটাইতকৈ শক্তিশালী গণতন্ত্রৰ ৰাষ্ট্রপতিগৰাকী প্রাচীন কালৰ ৰোম প্রজাতন্ত্রৰ কনছালসকলৰ ৰাজনীতিৰ প্রভাৱত পৰা বুলি সন্দেহ কৰা হৈছিল। ৰোম প্রজাতন্ত্রৰ কনছালসকল আছিল নির্বাচিত নেতা, কিন্তু সাম্রাজ্যবাদ প্রসাৰৰ দ্বাৰা তেওঁলোকে প্রাচীন বিশ্বৰ আটাইতকৈ শক্তিশালী সম্রাট হৈছিল। এই ৰাষ্ট্রপতিগৰাকীয়েও তেনে এক অস্বীকৃত সাম্রাজ্যৰ প্রতিষ্ঠাৰ প্রচেষ্টা কৰা বুলি সেই সময়ৰ বিশ্ববিখ্যাত চিন্তাবিদ হোৱাম জম্স্কিয়ে ৰাজহুৱা মত প্রকাশ কৰিছিল। তাৰেই পৰিণতি হৈছিল ক্ষুদ্ধ এক সাংবাদিকৰ পাদুকানিক্ষেপ। আপোনালোকৰ মনত আছেনে সেই পাদুকাযোৰ বিক্রী হৈছিল কেবা নিযুত ডলাৰত আৰু সেই অখ্যাত সাংবাদিক ৰাতাৰাতি (শব্দটো আমাৰ অভিধানে গ্রহণ কৰিছে) বিশ্ববিখ্যাত হৈ গৈছিল আৰু তেওঁ তেওঁৰ জাতিৰ মাজত জাতীয় বীৰ আখ্যা পাইছিল। এপাত জোতা হৈছিল সাম্রাজ্যবাদৰ ছেলেঞ্জাৰ-প্রত্যাহ্বানকাৰী।

হয়, সেইটোৱেই আছিল 'শ্ব'ৱেঙ্গাৰ' শব্দটোৰ প্রসাৰৰ আদি কাৰণ। শুনক আমাৰ সহ-গৱেষক কৃষ্ণই কি কৈছে। কৃষ্ণই ক'লে, "বিশ্বৰ অর্থনীতিৰ মন্দাৱস্থা তেতিয়াও চলি আছিল। বিশ্ববিখ্যাত ইটালীয় জোতা-কোম্পানী ফিয়েটাৰ তেতিয়া থৰক-বৰক অৱস্থা। দেৱলীয়া হোৱাৰ উপক্রম। এই জোতা নিক্ষেপে তেওঁলোকক এক মার্কেটিং-কৌশল দিলে। অতি শক্তিশালী দূৰসঞ্চাৰী প্রচাৰ-মাধ্যমত তেওঁলোকে প্রচাৰ কৰিলে এক শক্তিশালী বিজ্ঞাপন।" বিজ্ঞাপনে ক'লে, "আপুনি ক্ষুদ্ধ হৈছে? আপুনি হাতত তুলি ল'ব খুজিছে বন্দুক? নল'ব। আপোনালোকে তাৰ সলনি তুলি লওঁক এপাত জোতা। ক্ষোভ নিষ্কাষণ কৰক। পৃথিৱীলৈ সমাহিত শান্তি ঘু�ৰাই আনক। ফিয়েটাই আপোনালোকৰ বাবে সাজি উলিয়াইছে এক মোলায়েম এপতীয়া জোতা। হাতত লৈ দলিয়াই চাওক। লক্ষ্যৰ কাষেদি যাব। লক্ষ্যক আঘাত নকৰে। আপোনাৰ হাতেও কষ্ট নাপায়। আহক আমি সকলোৱে বন্দুক দলিয়াই দি হাতে হাতে এই জোতা লৈ শান্তিৰ বাণী প্রচাৰ কৰোঁ। জোতাক নতুন মর্যাদা দিওঁ।"

কথাখিনি কৈ কৃষ্ণৰ কিজানি ভাগৰ লাগিল। গতিকে বাকীখিনি কথা ময়েই কৈছোঁ শুনক। বস্তুৰ গুণগত উপাদানে বজাৰ দখলত সহায় নকৰে, তাৰ আকর্ষণীয় চেহেৰা আৰু তাৰ কৌশলগত মার্কেটিঙেহে বজাৰ বঢ়ায়। এই এপতীয়া জোতাৰ ক্ষেত্রতো সেয়েই হ'ল। অস্ত্রধাৰীসকলে অস্ত্র দলিয়াই নেপেলালে, কিন্তু এই মোলায়েম জোতা হৈ পৰিল এক জনপ্রিয় খেল। প্রথমতে সৰু ল'ৰা-ছোৱালীয়ে এই জোতা লৈ স্ফুর্তি কৰিবলৈ ধৰিলে, পিছত বয়স্কসকলো এই খেলৰ মাদকতাত মছগুল হৈ পৰিল। এই জোতাৰ চাহিদা ইমান বাঢ়ি গ'ল যে ফিয়েটা কোম্পানীয়ে অনুকুল বাতাবৰণৰ পাইকাৰী হাতত উৎপাদন কৰিবলৈ গালাপাগোচত এটা কাৰখানা তৈয়াৰীৰ চেষ্টা কৰি প্রথমতে ব্যর্থ হ'ল। ইকুৱেডৰৰ অর্থনীতিৰো সেই সময়ত থৰক-বৰক অৱস্থা। তেওঁলোককো নতুন অর্থনৈতিক টনিক লাগে। সেয়েই চতুৰ নেতা এজনে কৌশলেৰে ৰক্ষণশীল গালাপাগোচৰ সমাজত 'শ্ব'ৱেঙ্গাৰ' নামৰ খেলটো

প্ৰচলন কৰালে আৰু ফিয়েটা কোম্পানীৰ বিশ্ববিখ্যাত কাৰখানাটো তাত প্ৰতিষ্ঠিত হ'ল। আজি ইকুৱেডৰৰ অৰ্থনীতি বুমিং (শব্দটো ইংৰাজীৰ পৰা আমাৰ ভাষালৈ অনা হৈ গৈছে)। তাত 'শ্ব'ৱেঙ্গাৰ' শব্দটোত ৰাজনীতিৰ কোনো নাম-গোন্ধ নাই। পণ্ডিত ৰবিশেখৰে শব্দটোক আমাৰ অভিধানত স্থান দিয়া নাছিল এই 'আচহুৱা' (তেওঁৰ মতে) শব্দটোৰ পৰা ৰাজনীতিৰ গোন্ধ নাই যোৱা বুলি। সময় বাগৰি, স্থান বাগৰি আমাৰ ইয়াত 'শ্ব'ৱেঙ্গাৰ' শব্দই বেলেগ অৰ্থত লৰি-চৰি থাকিব পাৰে, কিন্তু ক্ৰীড়াজগতৰ পৰা উৰি অহা এই শব্দৰ গাত এতিয়া আৰু ৰাজনীতিৰ গোন্ধ থকা যেন নালাগে। আমি জানো, আমাৰ অভিধানৰ নতুন সংস্কৰণ ইতিমধ্যে প্ৰকাশ হৈ গৈছে আৰু ইয়াৰ পিছৰ সংস্কৰণ ওলাব দহ বছৰৰ পিছত। কিন্তু তাৰ বাবে আমি স্পেইডওৱৰ্ক (শব্দটো এতিয়াও আমাৰ ভাষাত গ্ৰহণযোগ্য নহ'লেও উপযুক্ত শব্দৰ অভাৱত ব্যৱহাৰ কৰিবলগীয়া হ'ল) এতিয়াই কৰিব লাগিব।

আমি আটাইকেইজন কনিষ্ঠ গৱেষক পণ্ডিত ৰবিশেখৰৰ ওচৰ পালোগৈ। উদ্দেশ্য, আমাৰ গৱেষণালব্ধ প্ৰজ্ঞাৰ ভাগ তেওঁক পিছৰটো সংস্কাৰণৰ বাবে প্ৰভাৱিত কৰা। আমাৰ যুক্তি তেওঁ মনোযোগেৰে শুনিলে। তেওঁ মূৰ দুপিওৱা ধৰণটোৰ পৰা আমাৰ ধাৰণা হ'ল আমাৰ যুক্তিত তেওঁ পতিয়ন গৈছে। তেওঁৰ পত্নীয়ে আমাক বিহুৰ বাবে যোগাৰ কৰা জলপানৰ ভাগো দিলে আৰু পণ্ডিত ৰবিশেখৰে তৃপ্তিৰে আমাৰ লগত জলপান কৰিলে। আমি অৱশেষত সন্তোষমনেৰে তেওঁৰ পৰা বিদায় ল'লোঁ। তেওঁ ঘৰৰ বাৰান্দাৰ পৰা হাত জোঁকাৰি আমাক বিদায় দিলে। আমি নঙলামুখ পাওঁতে শুনিলোঁ, তেওঁ আমাক মাতিছে, "হেৰা, শুনা, এটা কথা নহয়।" আমি ৰৈ গ'লোঁ আৰু পাঁচোজনে কাণ পাতি তেওঁৰ ফালে চালোঁ। তেওঁ ক'লে, 'ফিয়েটা কোম্পানীৰ সেই জোতাযোৰৰ নাম শ্ব'ৱেঞ্জাৰহে বুজিছা। ছেলেঞ্জাৰ শব্দৰ প্ৰতিধ্বনি। আৰু গালাপাগোচৰ সেই খেলবিধৰ নাম আচলতে কি জানানে, "শ্ব'ৱেঙ্গাৰ' নহয়, শ্ব'ইঞ্জাৰ। তাৰ সেই কৌশল নেতা জনে নাম দিছিল 'শ্ব-জিঞ্জাৰ'। 'জিঞ্জাৰ আপ' বাক্যাংশৰ পৰা জিঞ্জাৰটো লৈছিল। গালাপাগোচবাসীৰ দোৱোল খোৱা জিভাত 'জ'টো ভালকৈ নুফুটাৰ কাৰণে শ্ব-জিঞ্জাৰ প্ৰথমতে শ্ব-ইঞ্জাৰ হ'ল আৰু পিছত শ্ব'ৰ পৰা 'উ'টোও বাদ পৰি শ্ব'ইঞ্জাৰ হ'ল।"

তেওঁ অলপ ৰ'ল। আমাৰ ফালে কৌতুকৰ দৃষ্টিৰে চালে। আমিও নঙলামুখতে স্থানু হ'লোঁ। আমাৰ মুখবোৰ তেওঁ বহু সময় নিৰীক্ষণ কৰিলে। তাৰ পাছত দিলে তেওঁৰ মোক্ষম সিদ্ধান্ত, "বুজিছা, এই শব্দটো লৈ মইও গৱেষণা কৰিছোঁ। আমাৰ ভাষাত এই শব্দটো গালাপাগোচৰ ক্ৰীড়াবিধৰ পৰা অহা নাই। আমাৰ ভাষাত শব্দটো সৃষ্টি হৈছে 'শ্ব' আৰু 'এঙ্গাৰ' অৰ্থাৎ জোতা আৰু ক্ৰোধ লগ লাগি। তোমালোকেও আৰম্ভণিতে সেইটোৱেই পাইছিলা। পিছে বিপথে গ'লা। ৰাজনীতিৰ গোন্ধ এই বাজাৰী শব্দটোৰ পৰা যোৱা নাইহে। বেজাৰ নাপাবা, তোমালোকে যুক্তিৰে ক'লেও আৰু শব্দটোৰ সমগ্ৰ ইতিহাস ঘুকটি উলিয়ালেও মই ৰাজনীতিৰ গোন্ধ পাইয়ে আছোঁহে। আৰু কি জানা, শব্দটো বৰ আপচুহে, হেঃ হেঃ হেঃ... তেওঁৰ অপ্ৰস্তুত হাঁহিটো বতাহত বিয়পি গ'ল। আমি তেওঁৰ নঙলামুখত চিত্ৰবৎ ৰৈ থাকিলোঁ।

*** ***** ***